**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-04-2025
**Time :** 0705 Hrs

***Assamese Morning Bulletin***
***Headlines***
------------

১।	ভাৰতে পহলগাম সন্ত্ৰাসবাদীৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ১৯৬০ চনৰ সিন্ধু জল চুক্তি বাতিল আৰু ততালিকে কাৰ্যকৰী হোৱাকৈ আট্টাৰী সংহত চকী বন্ধকে ধৰি ভালেমান কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

২।	ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ গৰিহণা দিছে।

৩।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস উপলক্ষে বিহাৰৰ মধুবনিৰ পৰা দেশৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু গাঁওসভা সমূহক উদ্দেশি ভাষণ দিব।

৪।	ভাৰতীয় গ্ৰেণ্ডমাষ্টাৰ ক'নেৰু হাম্পিয়ে পুণে ফিডে মহিলা গ্ৰাঁ প্ৰী প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিছে।

*আৰু*

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা মুম্বাই ইণ্ডিয়ানছে ছানৰাইজাৰ্চ হায়দৰাবাদক ৭ উইকেট পৰাস্ত কৰে।

oooo

ভাৰতে পহলগাম সন্ত্ৰাসবাদীৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ১৯৬০ চনৰ সিন্ধু জল চুক্তি বাতিল আৰু ততালিকে কাৰ্যকৰী হোৱাকৈ আট্টাৰী সংহত চকী বন্ধকে ধৰি ভালেমান কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কালি বিয়লি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসগৃহত অনুষ্ঠিত মন্ত্ৰীসভাৰ সুৰক্ষা বিষয়ক কমিটীৰ বৈঠকত দেশৰ সামগ্ৰিক সুৰক্ষা পৰিস্থিতিৰ পৰ্যালোচনা কৰা হয় আৰু সকলো সুৰক্ষা বাহিনীক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হয়।

নতুন দিল্লীত যোৱা নিশা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে এতিয়াৰে পৰা পাকিস্তানী নাগৰিকসকলক ছাৰ্ক ভিছা ৰেহাই আঁচনিৰ অধীনত ভাৰতলৈ অহাৰ অনুমতি প্ৰদান কৰা নহ'ব। তেওঁ কয় যে পাকিস্তানী নাগৰিকসকলক ইতিপূৰ্বে জাৰি কৰা এই ভিছা বাতিল বুলি গণ্য কৰা হ'ব। তেওঁ লগতে কয় যে ছাৰ্ক ভিছাৰ অধীনত সম্প্ৰতি ভাৰতত থকা পাকিস্তানী নাগৰিকসকলে ৪৮ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিব লাগিব। একেদৰে, নতুন দিল্লীৰ পাকিস্তানী উচ্চায়োগত থকা প্ৰতিৰক্ষা, সামৰিক, নৌ সেনা আৰু বায়ু সেনাৰ উপদেষ্টাসকলে এসপ্তাহৰ ভিতৰত ভাৰত ত্যাগ কৰিব লাগিব বুলি বিদেশ সচিবগৰাকীয়ে জানিবলৈ দিয়ে। ভাৰতেও ইছলামাবাদৰ ভাৰতীয় উচ্চায়োগৰ পৰা ইয়াৰ প্ৰতিৰক্ষা, নৌ আৰু বায়ু সেনা উপদেষ্টাসকলক ঘূৰাই আনিব। তেওঁ কয় যে দুয়োখন দেশৰ উচ্চায়োগৰ এই পদসমূহ অপ্ৰাসঙ্গিক বুলি গণ্য কৰা হ'ব। উচ্চায়োগৰ উপদেষ্টাসকলৰ পাঁচগৰাকী সহযোগী কৰ্মচাৰীকো আঁতৰ কৰা হ'ব।

বিদেশ সচিবগৰাকীয়ে কয় যে উচ্চায়োগত নিয়োজিত কৰ্মচাৰীৰ সংখ্যা পহিলা মে'ৰ পৰা ৫৫ৰ পৰা ৩০লৈ হ্ৰাস কৰা হ'ব। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰ বৈঠকত পহলগামত মঙলবাৰে সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়ে অৱগত কৰোৱা হয়। এই আক্ৰমণৰ সৈতে সীমান্তৰ সিপাৰৰ যোগসূত্ৰৰ বিষয়েও আলোচনা কৰা হয়। জম্মু-কাশ্মীৰত অনুষ্ঠিত সফল বিধানসভা নিৰ্বাচন আৰু ৰাজ্যখনৰ দ্ৰুত অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ বাবে এই আক্ৰমণ সংঘটিত হোৱা বুলি বৈঠকত উল্লেখ কৰা হয়। মন্ত্ৰীসভাৰ সুৰক্ষা বিষয়ক কমিটীয়ে কঠোৰ ভাষাৰে এই আক্ৰমণক গৰিহণা দিয়ে আৰু আক্ৰমণৰ বলি হোৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। কেবিনেট কমিটীয়ে লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। বিশ্বৰ বিভিন্ন দেশে ভাৰতৰ সৈতে একতা ব্যক্ত কৰিছে আৰু দ্ব্যৰ্থহীনভাৱে পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক গহিৰণা দিছে। সুৰক্ষা বিষয়ক মন্ত্ৰীসভাৰ কমিটীয়ে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ সিদ্ধান্তৰ ভূয়সী প্ৰশংসা কৰে।

চৰকাৰে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। সূত্ৰৰ পৰা জানিব পৰা মতে সন্ধিয়া ৬ বজাত সংসদ ভৱন চৌহদত এই বৈঠক অনুষ্ঠিত হ'ব।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভান্সে পহলগামৰ কাপুৰুষালিভৰা সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিছে। আগ্ৰাত কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীভান্সে আক্ৰমণত নিহত লোকসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে আৰু আমেৰিকাই ভাৰতলৈ সম্ভৱপৰ সকলো ধৰণৰ সহায় আগবঢ়াব বুলি প্ৰকাশ কৰে। এই ভয়াবহ আক্ৰমণ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ মাজত হোৱা কথোপকথনৰ বিষয়ে তেওঁ উল্লেখ কৰে।

০০০০

ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ গৰিহণা দিছে। কোনো পৰিস্থিতিতে অসমাৰিক লোকৰ ওপৰত হোৱা আক্ৰমণ গ্ৰহণযোগ্য নহয় বুলি তেওঁ মন্তব্য কৰিছে। সচিব প্ৰধানগৰাকীৰ মুখপাত্ৰ ষ্টিফেন ডুজাৰিকে কৈছে যে শ্ৰীগুটেৰেছে এই আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। পাকিস্তানস্থিত সন্ত্ৰাসবাদী সংগঠন লস্কৰ-এ-তৈয়বাৰ এটা গোটে সংঘটিত কৰা এই আক্ৰমণত ২৬জনকৈ নিৰীহ লোকে প্ৰাণ হেৰুৱাইছে।

০০০০

জম্মু-কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত পৰ্যটন মন্ত্ৰালয়ে পৰ্যটন সেৱা প্ৰদানকাৰী সকলো প্ৰতিষ্ঠানকে পৰ্যটকসকললৈ সম্ভৱপৰ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। মন্ত্ৰালয়ে লগতে পৰ্যটন এজেণ্ট, ভ্ৰমণ পৰিচালন সংস্থা, পৰ্যটকক বাহনৰ সেৱা প্ৰদান কৰা ব্যক্তি প্ৰতিষ্ঠান আৰু হোটেল ব্যৱসায়ীসকলক বুকিং বাতিলকৰণৰ মাচুল ৰেহাই দিবলৈ আহ্বান জনাইছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস উপলক্ষে বিহাৰৰ মধুবনিৰ পৰা দেশৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু গাঁওসভা সমূহক উদ্দেশি ভাষণ দিব। প্ৰধানমন্ত্ৰীয়ে প্ৰায় ১৩ হাজাৰ ৪৮০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। দিনৰ চাৰে ১১ বজাত ঝাঞ্জৰপুৰৰ বিদেশ্বৰ স্থানত হ'বলগীয়া এখন জনসভাৰ পৰা প্ৰধানমন্ত্ৰীয়ে এই প্ৰকল্পসমূহ মুকলি কৰিব। এই বছৰ গ্ৰাম্য উন্নয়ন, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ, শক্তি, ৰে'লৱে,পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ -এই ছটা কেন্দ্ৰীয় মন্ত্ৰালয়ৰ অংশগ্ৰহণেৰে পঞ্চায়তীৰাজ ৰাষ্ট্ৰীয় কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

০০০০

জৰায়ুৰ কৰ্কট ৰোগ চিনাক্ত কৰাৰ বাবে থলুৱাভাৱে বিকশাই তোলা এইছ্ পি ভি পৰীক্ষণ সঁজুলিৰ পৰ্যালোচনা চলোৱাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙৰ অধ্যক্ষতাত কালি এখন যুটীয়া বৈঠক অনুষ্ঠিত হয়। বৈঠকত ভাষণ দি ড০ সিঙে থলুৱাভাৱে বিকশাই তোলা এই পৰীক্ষণ সঁজুলিৰ ভূয়সী প্ৰশংসা কৰাৰ লগতে এই উদ্ভাৱনক ৰোগ প্ৰতিৰোধৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলি অভিহিত কৰে। তেওঁ লগতে প্ৰতিৰোধমূলক স্বাস্থ্য সেৱাৰ উন্নয়নত গুৰুত্ব আৰোপ কৰে। বিশ্বত জৰায়ু কৰ্কট ৰোগৰ ফলত প্ৰাণ হেৰুওৱা মুঠ মহিলাৰ ২৫ শতাংশই ভাৰতৰ বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লাল খাট্টাৰে কালি নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অ'লিক সৌজন্যমূলক সাক্ষাৎ কৰে। নেপালৰ সিংহ দৰবাৰৰ প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰীসভাৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত চুবুৰীয়া ৰাষ্ট্ৰ দুখনৰ মাজত মৈত্ৰীপূৰ্ণ আৰু সাংস্কৃতিক সম্বন্ধৰ বিভিন্ন দিশ, শক্তি খণ্ডৰ উন্নয়ন আৰু সহযোগিতাকে ধৰি বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰা হয়।

০০০০

ভাৰতীয় গ্ৰেণ্ডমাষ্টাৰ ক'নেৰু হাম্পিয়ে পুণে ফিডে মহিলা গ্ৰাঁ প্ৰী প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিছে। হাম্পিয়ে কালি অনুষ্ঠিত নিজৰ অন্তিম ৰাউণ্ডৰ খেলত বগা গুটিৰে খেলি বুলগেৰিয়াৰ নৰ্‌গ্যুল ছলিম'ভাক ৯-৭ পইণ্টত পৰাস্ত কৰে। চীনৰ গ্ৰেণ্ডমাষ্টাৰ ঝু জিনৰেও কালি তেওঁৰ অন্তিম ৰাউণ্ডত ৰাছিয়াৰ প'লিনা ছুৱাল'ভাক ৯-৭ পইণ্টত পৰাস্ত কৰে যদিও টাইব্ৰেকাৰৰ নিয়ম অনুযায়ী দ্বিতীয় স্থান লাভ কৰে। গ্ৰাঁ প্ৰী পইণ্ট আৰু পুৰস্কাৰৰ ধনৰাশি হাম্পি আৰু ঝু জিনৰক সমানে সমানে ভগাই দিয়া হ'ব। এই জয়ৰ সুবাদত হাম্পি মহিলাৰ পৰৱৰ্ত্তী কেন্‌ডিডেটছ্‌ দবা প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰাৰ সম্ভাৱনা বৃদ্ধি পাইছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৭ উইকেট পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ১৫ অভাৰ আৰু চাৰিটা বলত তিনিটা উইকেট হেৰুৱাই ১৪৪ ৰাণৰ বিজয় লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট বিনিময়ত ১৪৩ ৰাণ কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ ট্ৰেণ্ট বল্টে চাৰিটা উইকেট দখল কৰে। বল্টক প্লেয়াৰ অব দা মেচ হিচাপে গণ্য কৰা হয়। প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে কালি হায়দৰাবাদত অনুষ্ঠিত মুম্বাই ইণ্ডিয়ানছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মাজৰ আই পি এল খেলখনৰ সময়ত পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। খেলখন আৰম্ভ হোৱাৰ পূৰ্বে নিহত লোকসকলৰ আত্মাৰ সদ্‌গতি কামনা কৰি ১ মিনিট মৌনতা অৱলম্বন কৰা হয়। দুয়োটা দলৰ অধিনায়কে এই ভয়াবহ আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। খেলখনত খেলুৱৈ, ধাৰাভাস্যকাৰ আৰু সহযোগী কৰ্মীসকলে বাহুত ক'লা বেজ পৰিধান কৰে। ধাৰাভাস্যকাৰ দলে এই মৌন শ্ৰদ্ধাঞ্জলিৰ বিষয়ে উল্লেখ কৰি সমগ্ৰ ৰাষ্ট্ৰৰ সৈতে দুখ ভগাই লয়। বি চি চি আয়ে নিহত লোকসকলৰ সন্মানাৰ্থে খেলখনৰ সময়ত কোনো ধৰণৰ আতচবাজি নুফুটোৱা, সংগীত আৰু চিয়াৰ লীডাৰ অবিহনে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। বি চি চি আইৰ সচিব দেৱজিত শইকীয়াই কয় যে সমগ্ৰ ক্ৰিকেট জগতে এই আক্ৰমণক গৰিহণা দিছে। তেওঁ লগতে এই আক্ৰমণত নিহত লোকসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

০০০০

সমাপ্ত